**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 06-02-2025
**Time :** 1910 hrs

ASSAMESE EVENING BULLETIN
**HEADLINES**
**::::::::::::::::::::**

১। ৰাজ্যসভাত ধন্যবাদসূচক প্ৰস্তাৱৰ আলোচনাৰ উত্তৰ দি আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে ৰাষ্ট্ৰক প্ৰথম অগ্ৰাধিকাৰ দিয়াটো তেওঁৰ চৰকাৰৰ নীতি।

২। বাংলাদেশৰ শেহতীয়া পৰিস্থিতিত উদ্বিগ্ন প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাই কয়, যে উন্নয়নৰ আৰ্হিৰে সমগ্ৰ পৃথিৱীৰ আদৰ্শ হৈ পৰা বাংলাদেশ বৰ্তমান সন্ত্ৰাসবাদী আৰু মৌলবাদীৰ ভূমি হৈ পৰিছে।

৩। **পৰীক্ষা পে চৰ্চা**ৰ অষ্টম সংস্কৰণ অহা ১০ ফেব্ৰুৱাৰীত নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত হ'ব।

৪। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে আইনী গতিশীলতা বৃদ্ধি কৰাটো সামূহিক স্বাৰ্থ আৰু বিতাড়ণ এক ধাৰাবাহিক প্ৰক্ৰিয়া বুলি আজি ৰাজ্যসভাত মন্তব্য কৰিছে। ***আৰু***

৫। ভাৰত আৰু ইংলেণ্ডৰ মাজৰ ৩ খনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ আজি নাগপুৰত অনুষ্ঠিত প্ৰথমখন খেলত ইংলেণ্ডে ভাৰতক জয়ৰ বাবে ২৪৯ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

০০০০০০০

ৰাজ্যসভাত ধন্যবাদসূচক প্ৰস্তাৱৰ আলোচনাৰ উত্তৰ দি আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে ৰাষ্ট্ৰক প্ৰথম অগ্ৰাধিকাৰ দিয়াটো তেওঁৰ চৰকাৰৰ নীতি। কংগ্ৰেছৰ দৰে পৰিয়ালক অগ্ৰাধিকাৰ দিয়া নীতি তেওঁৰ চৰকাৰে অনুসৰণ নকৰে। কংগ্ৰেছৰ পৰা **সবকা সাথ, সবকা বিকাশ** আশা কৰা নাযায়। ২০১৪ চনৰ পাছত দেশত নতুন দৃষ্টিভংগী দেখা গৈছে। এই দৃষ্টিভংগী তুষ্টিকৰণৰ নহয়, সন্তুষ্টিকৰণৰ দৃষ্টিভংগী। তেওঁ কয়, যে আজি বিশ্বই ভাৰতক দ্ৰুত গতিত আগবঢ়া দেশ হিচাপে প্ৰত্যক্ষ কৰিছে। আমাৰ দেশে অৰ্থব্যৱস্থাৰ বিস্তৰ উন্নতি কৰিছে বুলি প্ৰকাশ কৰি কয়, যে ইয়াৰ বাবে প্ৰতিগৰাকী ভাৰতীয়ই গৰ্ব অনুভৱ কৰে। শ্ৰী মোদীয়ে কয়, যে কংগ্ৰেছৰ ৰাজনীতিৰ মন্ত্ৰ হৈছে শাসনত থকা আন দলক অস্থিৰ কৰি তোলা। সেয়েহে যি দলৰ চৰকাৰ শাসনলৈ আহে কংগ্ৰেছ দলে অস্থিৰ কৰিবলৈ বিচাৰে বুলিও শ্ৰী মোদীয়ে তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে।

ইয়াৰ পূৰ্বে আলোচনাত ভাগ লৈ বিজেপিৰ দেৱেন্দ্ৰ প্ৰতাপ সিঙে কয়, যে চৰকাৰে কৃষক তথা অনুসূচীত জাতি আৰু জনজাতিৰ কল্যাণৰ বাবে ভালেমান পদক্ষেপ গ্ৰহণ কৰিছে। শ্ৰী সিঙে ৰাষ্ট্ৰপতিৰ ভাষণ সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত বিৰোধী দলৰ নেতাই কৰা তাচ্ছিল্যসূচক মন্তব্যৰো গৰিহনা দিয়ে। এই বিতৰ্কত প্ৰাক্তন প্ৰধানমন্ত্ৰী তথা জনতা দলৰ নেতা এইচ ডি দেৱেগৌড়া, কংগ্ৰেছৰ ৰাজীৱ শুক্লা, সমাজবাদী পাৰ্টীৰ জয়া বচ্চন, আপৰ সঞ্জীৱ আৰোৰা, বি এছ পিৰ ৰামজীৰ লগতে আন আন সদস্যসকলে ভাগ লয়।

০০০০০০০

বাংলাদেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাই আজি নতুন দিল্লীৰ পৰা ভাৰ্চুৱেল মাধ্যমেৰে দিয়া এটা ভাষণত কয়, যে উন্নয়নৰ  আৰ্হিৰে সমগ্ৰ পৃথিৱীৰ আদৰ্শ হৈ পৰা বাংলাদেশ বৰ্তমান সন্ত্ৰাসবাদী আৰু মৌলবাদীসকলৰ ভূমি হৈ পৰিছে। এয়া আমাৰ বাবে সঁচাকৈয়ে দুৰ্ভাগ্যৰ বিষয়। আবামী লীগৰ ৱেব পেজত প্ৰকাশ পোৱা এই ভাষণত শ্বেইখ হাছিনাই কয়, যে বুলড'জাৰৰ সহায়ত বংগবন্ধুৰ স্মাৰক ভাঙি পেলোৱা কাৰ্যৰ বাংলাদেশৰ জনসাধাৰণে ন্যায় বিচাৰিব। তেওঁ লগতে কয়, যে সমাগত দিনবোৰত তেওঁ কিছুমান গুৰুত্বপূৰ্ণ কাম কৰিবলৈ বাকী আছে। মহম্মদ ইউনুছ নেতৃত্বাধিন বালাংদেশৰ বৰ্তমানৰ চৰকাৰখন সম্পূৰ্ণৰূপে অসাংবিধানিক। তেওঁ ধনৰ ক্ষমতা আৰু দেশৰ বহু লোকৰ মৃতদেহ গচকি ক্ষমতালৈ আহিছে বুলিও শ্ৰী হাছিনাই প্ৰকাশ কৰে। উল্লেখযোগ্য যে, প্ৰায় ছমাহ আগতে দেশখনত হোৱা ছাত্ৰ বিক্ষোভৰ পৰিণতিত চুবুৰীয়া ৰাষ্ট্ৰখনৰ প্ৰধানমন্ত্ৰীগৰাকী ভাৰতলৈ পলাই আহি নতুন দিল্লীত আশ্ৰয় গ্ৰহণ কৰিছিল।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, বাংলাদেশৰ ৰাজধানী ঢাকাত কালি নিশা একাংশ প্ৰতিবাদকাৰীয়ে আৰক্ষীৰ উপস্থিতিত বুলড'জাৰৰ সহায়ত বংগবন্ধু স্মাৰক সংগ্ৰহালয় ভাঙি পেলায়। বাংলাদেশৰ জনক তথা দেশখনৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাৰ পিতৃ বংগবন্ধু শ্বেখ মুজিবুৰ ৰহমানৰ এই বাসভৱনটোক পৰৱৰ্তীকালত সংগ্ৰহালয়ৰূপে চিহ্নিত কৰা হৈছিল। প্ৰতিবাদকাৰীসকলে কালি নিশা প্ৰায় চাৰে ৮ বজাত সংগ্ৰহালয়টো লণ্ডভণ্ড কৰে আৰু ইয়াৰ সামগ্ৰীসমূহ ধ্বংস কৰাৰ পাছত জুই লগাই দিয়ে। এই ধ্বংসকাৰ্য নিশা প্ৰায় ১১ বজালৈ অব্যাহত থকাৰ পাছত প্ৰতিবাদকাৰীসকলে এখন এক্সকেভেটৰ জৰিয়তে সংগ্ৰহালয়টো সমূলঞ্চে ধ্বংস কৰাৰ চেষ্টা চলায়। ১৯৭৫ চনৰ ১৫ আগষ্টত দেশখনত সামৰিক বাহিনীৰ একাংশই চলোৱা সামৰিক অভ্যুত্থানৰ সময়ত তেতিয়াৰ দেশখনৰ ৰাষ্ট্ৰপতি শ্বেখ মুজিবুৰ ৰহমান আৰু তেওঁৰ পৰিয়ালৰ প্ৰায়সকল সদস্য ধানমণ্ডিৰ এই বাসভৱনতে আততায়ীৰ গুলীৰ আঘাতত নিহত হৈছিল। বাংলাদেশৰ সংবাদপত্ৰসমূহে প্ৰকাশ কৰা অনুসৰি সামাজিক মাধ্যমত **ধানমণ্ডি থাৰ্টিটুলৈ বুলড'জাৰ সমদল** শীৰ্ষক এটা কাৰ্যসূচীৰ জৰিয়তে প্ৰতিবাদকাৰীসকলে এই ধ্বংসকাৰ্যত সমবেত হ'বলৈ অন্যান্য সকলক আহ্বান জনাইছিল। প্ৰশাসনে এই ধ্বংসকাৰ্য ৰোধ কৰিবলৈ পাৰ্যমানে চেষ্টা চলাইছিল বুলি দাবী কৰে, যদিও প্ৰত্যক্ষদৰ্শীয়ে সংগ্ৰহালয়ৰ দিশে যোৱা সমদলক বাধা দিবলৈ কোনো বিশেষ চেষ্টা কৰা নাছিল বুলি উল্লেখ কৰে। ইফালে শ্বেইখ হাছিনাৰ প্ৰয়াত স্বামী ড০ এম এ ৱাজেদৰ ঢাকাত থকা বাসগৃহতো অগ্নিসংযোগ কৰে। আমাৰ ঢাকাৰ সংবাদদাতাই জনোৱা মতে প্ৰতিবাদকাৰীয়ে যোৱা নিশা দেশখনৰ ৰাজশ্বাহী, ছিলেট, কুষ্টিয়া আদি ঠাইত থকা আৱামী লীগৰ ভালেসংখ্যক নেতাৰ বাসগৃহতো আক্ৰমণ চলাই ধ্বংস কৰে।

০০০০০০০

**পৰীক্ষা পে চৰ্চা**ৰ অষ্টম সংস্কৰণ অহা ১০ ফেব্ৰুৱাৰীত নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত হ'ব। নতুন আঙ্গিকেৰে হ'বলগীয়া এই অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগতে দেশৰ ভিন্ন প্ৰান্তৰ ভিন্ন বৃত্তিৰ বিশিষ্ট ব্যক্তিসকলে নিজৰ অভিজ্ঞতা শিক্ষাৰ্থীসকলৰ সৈতে বিনিময় কৰিব। এই অনুষ্ঠান দূৰদৰ্শনৰ উপৰি স্বয়ম, স্বয়ম প্ৰভা, প্ৰধানমন্ত্ৰী কাৰ্যালয়ৰ ইউ টিউব চেনেল আৰু তথ্য আৰু প্ৰযুক্তি মন্ত্ৰালয়ৰ সামাজিক মাধ্যমযোগে পোনপটীয়াকৈ প্ৰচাৰিত হ'ব। চলিত বৰ্ষত এই অনুষ্ঠানত অংশগ্ৰহণৰ বাবে প্ৰায় ৩ কোটি শিক্ষাৰ্থী, শিক্ষক আৰু অভিভাৱকে আবেদন কৰিছে। ইয়াৰ ভিতৰত ৩৬ গৰাকী শিক্ষাৰ্থীয়ে এই অনুষ্ঠানত প্ৰধানমন্ত্ৰী মোদীৰ সৈতে

পোনপটীয়াকৈ কথা পাতিব পাৰিব। এই অনুষ্ঠানত পৰীক্ষাৰ সময়ত পৰীক্ষাৰ্থীয়ে সন্মুখীন হোৱা মানসিক চাপ দূৰ কৰাৰ উপায় সন্দৰ্ভত আলোকপাত কৰা হয়। এই অনুষ্ঠানৰ বাবে অনলাইনযোগে আবেদন কৰা ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ মাজৰ পৰা ৬ৰ পৰা ১২ গৰাকীক যোগ্য বিবেচনা হয়।

০০০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি কয়, যে আইনী গতিশীলতা বৃদ্ধি কৰাটো সামূহিক স্বাৰ্থ। তেওঁ কয়, যদিহে নিজৰ দেশৰ লোক অন্য দেশত অবৈধভাৱে বসবাস কৰে তেন্তে সেয়া আন্তঃৰাষ্ট্ৰীয় আইনমতে সাধাৰণভাৱে গ্ৰহণযোগ্য নীতি। আমেৰিকা যুক্তৰাষ্ট্ৰৰ পৰা ভাৰতীয় নাগৰিকক বিতাড়ণ সন্দৰ্ভত ৰাজ্যখনত বক্তব্য প্ৰদান কৰি বিদশ মন্ত্ৰী ড০ জয়শংকৰে এইদৰে কয়। বিতাড়ণৰ প্ৰক্ৰিয়াটো নতুন নহয় বুলি মন্তব্য কৰি বিদেশমন্ত্ৰীগৰাকীয়ে ই এক ধাৰাবাহিক প্ৰক্ৰিয়া বুলি কয়। তেওঁ সদনত ভাৰতীয় নাগৰিকৰ বিতাড়ণ সম্পৰ্কীয় তথ্য প্ৰকাশ কৰি কয়, যে ২০০৯ চনত ৭৩৪ গৰাকী, ২০২৪ চনত ৩৬৮ গৰাকী আৰু এইবছৰ ১০৪ গৰাকী বিতৰণ কৰা হৈছে। বিতাড়িত লোকসকলৰ সৈতে যাতে কোনো ধৰণৰ দুৰ্ব্যৱহাৰ কৰা হয় সেই বিষয়ে ভাৰত চৰকাৰে আমেৰিকা প্ৰশাসনৰ সৈতে যোগাযোগ অব্যাহত ৰাখিছে বুলি ড০ জয়শংকৰে জানিবলৈ দিয়ে। তেওঁ স্পষ্ট কৰি দিয়ে যে, এই বিতাড়ণ প্ৰক্ৰিয়াই এটা মানসম্পন্ন পৰিচালনা পদ্ধতি অনুসৰণ কৰে যিটো নতুন প্ৰথা নহয়। কিন্তু এনে ধৰণৰ পদ্ধতি মহিলা আৰু শিশুৰ ওপৰত ন্যস্ত নহয় বুলি তেওঁ কয়। মন্ত্ৰীগৰাকীয়ে অবৈধ প্ৰব্ৰজন উদ্যোগ ধ্বংস কৰিবলৈ সকলোলৈ আহ্বান জনায়।

বিদেশ মন্ত্ৰীৰ বক্তব্যৰ ওপৰত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কংগ্ৰেছৰ সদস্য ৰণদ্বীপ সিং সুৰজেৱালাই কয়, যে আমেৰিকা যুক্তৰাষ্ট্ৰীয় সাত লাখৰো অধিক ভাৰতীয়ক এনেদৰে বিতাড়িত কৰাৰ পৰিকল্পনা কৰিছে। তেওঁ কয় যে, কিমান সংখ্যক ভাৰতীয় নাগৰিকক আমেৰিকাৰ কাৰাগাৰত ৰখা হৈছে আৰু তেওঁলোকক কিবা আইনী সাহায্য প্ৰদান কৰা হৈছে নেকি সেই বিষয়ে চৰকাৰে সদনক অৱগত কৰিব লাগে। ডি এম কেৰ তিৰুচী শিৱাই ভাৰতীয় নাগৰিকৰ বিতাড়ণ পদ্ধতিক লৈ প্ৰশ্ন উত্থাপন কৰি কয়, যে ই ভাৰতীয় নাগৰিকৰ আৱেগক আঘাত কৰিছে। তৃণমূল কংগ্ৰেছৰ সাংসদ চকেট গোখলেই অভিযোগ কৰে যে, বৈদেশিক পৰিক্ৰমা মন্ত্ৰীৰ বক্তব্যই নাগৰিকৰ স্বাৰ্থতকৈ আমেৰিকাৰ বিতাড়ণ নীতিকহে সুৰক্ষিত কৰিছে। আপৰ সঞ্জয় সিঙে কয়, যে এনে বিতাড়িত লোকৰ বাবে কিবা স্পষ্ট নীতি আছে নেকি সেই বিষয়ে চৰকাৰে স্পষ্ট কৰি দিব লাগে। আৰ জে ডিৰ সাংসদ মনোজ কুমাৰ ঝাই এই বিতাড়ণ পদ্ধতি সন্দৰ্ভত চৰকাৰে পূৰ্বে লাভ কৰা জাননীৰ বিষয়ে প্ৰশ্ন উত্থাপন কৰে। চি পি আই এমৰ ড০ জন ব্ৰিট্টাছে কয়, যে চৰকাৰে নিশ্চিত কৰিব লাগে যে, বিতাড়িত লোকসকলক যাতে মানৱীয় ব্যৱহাৰ কৰ হয়। তেওঁ এনে অবৈধ অনুপ্ৰৱেশক সহায় কৰা সংস্থাসমূহক দমন কৰাৰ পৰিকল্পনা সন্দৰ্ভত চৰকাৰক প্ৰশ্ন কৰে।

ইয়াৰ পূৰ্বে, আমেৰিকা যুক্তৰাষ্ট্ৰৰ পৰা ভাৰতীয় লোকক বিতাড়ণ কৰা সন্দৰ্ভত আলোচনা কৰিবলৈ বিৰোধী দলৰ সদস্যসকলে সদনত দাবী জনায়।

এই সংক্ৰান্তত বৈদেশিক পৰিক্ৰমা মন্ত্ৰীৰ বক্তব্যৰ পাছতেই সদনত হুলস্থুলীয়া পৰিৱেশ অব্যাহত থকাৰ সময়তে অধ্যক্ষই দিনটোৰ বাবে সদন স্থগিত ৰাখে।

০০০০০০০

কেন্দ্ৰীয় গৃহ আৰু সামবায় মন্ত্ৰী অমিত শ্বাহে আজি ছত্তীশগড়ৰ ডংগাৰগড় অঞ্চলৰ চন্দ্ৰগিড়ি তীৰ্থত আচাৰ্য বিদ্যাসাগৰ জী মহাৰাজৰ **প্ৰথমা সমাধি স্মৃতি মহোৎসৱ** আৰু **শ্ৰী এক হাজাৰ আঠ সিদ্ধচক্ৰ বিধান বিশ্বশান্তি মহাযজ্ঞত** অংশগ্ৰহণ কৰে। চন্দ্ৰগিড়ি তীৰ্থ ভ্ৰমণৰ সময়ত শ্ৰী শ্বাহে মহামুনিৰাজৰ সমাধিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

এই উপলক্ষে আয়োজিত সভাত ভাষণ দি গৃহমন্ত্ৰীগৰাকীয়ে সত্য, অহিংসা আৰু দানৰ মূল্য বৰ্তাই ৰাখি সমাজখনক একত্ৰিত কৰাৰ বাবে আচাৰ্য বিদ্যাসাগৰ জী মহাৰাজক প্ৰশংসা কৰে।

অনুষ্ঠানত ছত্তীশগড়ৰ মুখ্যমন্ত্ৰী বিষ্ণু দেউ ছাই আৰু উপ-মুখ্যমন্ত্ৰী বিজয় শৰ্মাও উপস্থিত থাকে।

০০০০০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজৰ ৩ খনীয়া একদিনীয়া ক্ৰিকেট শৃংখলাৰ আজি নাগপুৰৰ বিধৰ্ভ ক্ৰিকেট এছোছিয়েছন ষ্টেডিয়ামত অনুষ্ঠিত প্ৰথমখন খেলত আজি ইংলেণ্ডে ভাৰতক জয়ৰ বাবে ২৪৯ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। ইংলেণ্ডে প্ৰথমে বেট ধৰি ৪৭ অভাৰ আৰু ৪ টা বলত আটাইকেইটা উইকেট হেৰুৱাই ২৪৮ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত  ভাৰতে এই বাতৰি যুগুতোৱাৰ পৰলৈ ১৯ অভাৰত ৩ টা উইকেট হেৰুৱাই ১২৯ ৰাণ সংগ্ৰহ কৰে।

০০০০০০০

সমাপ্ত